

# হাজোৰ চেঁচামুখত দমদমা সাহিত্য সভাৰ মত বিনিময় অনুষ্ঠান

## অজিত প্ৰসাদ শৰ্মাৰ গ্ৰন্থ 'চিন্তা-বীথিকা' উন্মোচন

প্ৰতিদিন সেৱা, ডিমু, ১৯ এপ্ৰিল ঃ হাজো ৰাজহ চক্ৰৰ অন্তৰ্গত চেঁচামুখস্থিত প্ৰজ্ঞান প্ৰকাশন কাৰ্যালয় প্ৰাংগণত আজি সন্ধিয়া অনুষ্ঠিত দমদমা সাহিত্য সভাৰ মত বিনিময় অনুষ্ঠানত অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য তথা অসম সাহিত্য সভাৰ ৰামধেনু অনুষ্ঠানৰ আহ্বায়ক অজিত প্ৰসাদ শৰ্মাৰ 'চিন্তা-বীথিকা' শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। গ্ৰন্থখন উন্মোচন কৰে কামৰূপ জিলা সাহিত্য সভাৰ সম্পাদক ৰজনী শালৈয়ে। উন্মোচনী ভাষণত তেওঁ সৃষ্টিশীল ৰচনাসমূহে জনসাধাৰণক নতুন পথৰ সন্ধান দিয়ে বুলি মন্তব্য কৰি অজিত প্ৰসাদ শৰ্মাই একাধাৰে কেইবাখনো গ্ৰন্থ প্ৰকাশ কৰি গ্ৰন্থ অধ্যয়নৰ নীৰৱ বিপ্লৱক অধিক মাত্ৰা প্ৰদান কৰিবলৈ সক্ষম হোৱা বুলি কয়। দমদমা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি কনক শৰ্মাই সভাপতিত্ব কৰা অনুষ্ঠানত গ্ৰন্থখনৰ লেখক অজিত প্ৰসাদ শৰ্মাই পঢ়ুৱৈ সমাজৰ মৰম-আদৰে তেওঁক লেখাৰ ক্ষেত্ৰত বিশেষভাৱে উৎসাহিত কৰি আহিছে বুলি মন্তব্য কৰে। গ্ৰন্থখন পঢ়ুৱৈ সমাজে আদৰি ল'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। লেখকগৰাকীৰ 'জ্যোতিপ্ৰসাদ আৰু নজৰুলৰ কবিতাত দেশাত্মবোধ' শীৰ্ষক আন এখন গ্ৰন্থও আজি পুৱাৰ ভাগত দিছপুৰ মহাবিদ্যালয়ত উন্মোচন কৰা হয়। দমদমা সাহিত্য সভাৰ সম্পাদক মুনীন্দ্ৰ মহন্তই আঁত ধৰা অনুষ্ঠানত অসম সাহিত্য সভাৰ ৰাজ্যভাষা-মাতৃভাষা প্ৰয়োগ উপ-সমিতিৰ আহ্বায়ক হেমন্ত কলিতা, কৃতী শিক্ষক নগেন্দ্ৰ নাথ শালৈ, ত্ৰিবেণী স্বৰ্ণ শাখা সাহিত্য সভা, ডিমুৰ সম্পাদক কনক কৃষ্ণ ভট্টাচাৰ্য, বড়িগোগ স্বৰ্ণ শাখা সাহিত্য সভাৰ সভাপতি যতীন্দ্ৰ নাথ শৰ্মা, দদৰা স্বৰ্ণ শাখা সাহিত্য সভাৰ সম্পাদক দীপকান্ত পাঠক, সমাজকৰ্মী মুকুট শালৈ, কামৰূপ জিলা সাহিত্য সভাৰ সহকাৰী সম্পাদক তৰণীচৰণ কলিতা, প্ৰকাশ ডেকা, প্ৰচাৰ সম্পাদক জয়ন্ত কুমাৰ শৰ্মা, কোষাধ্যক্ষ দিলীপ ঠাকুৰীয়াকে ধৰি ভালেসংখ্যক সাহিত্যকৰ্মীয়ে অংশগ্ৰহণ কৰে।